# যান্ত্ৰিক

কংক্ৰিটৰ দেৱাল পাৰ হৈ

পৃথিৱীৰ সেউজীয়া খিনি উপভোগ কৰিছা নে...?

নে তুমি নিজক বিলীন কৰি পাইছা..

বৰযুণে ধুই নিয়া কেঁচা মাটিৰ গোন্ধত !!

য'ত নাথাকে কৃত্ৰিমতাৰ চেঁচা বতাহ

অথবা যান্ত্ৰিকতাৰ অলস ৰাতিপুৱা।

তুমিতো বাৰ্তাবাহক একবিংশ শতিকাৰ

য'ত সকলোবোৰ কৃত্ৰিমতাৰ পোছাকেৰে আবৃৰা...,

তোমাৰ প্ৰতিটো পুৱা, প্ৰতিটো নিশা

যন্ত্ৰতেই আৰদ্ধ...যন্ত্ৰৰ দ্বাৰা পৰিচালিত ,

গ্ল'বেলাইজেচনৰ কুটিল চক্ৰত বন্দী

তোমাৰ অকণমানি পৃথিৱী..... ,

য'ত সকলোবোৰ ভাৰ্চুৱেল।

হয়তো তুমি নাজানা আত্মীয়তাৰ প্ৰকৃত অৰ্থ!!

অনুভৱ কৰা নাই চাগে মৰম নদীৰ গভীৰতা

তোমাৰ কৃত্ৰিম হৃদয়ত হয়তো প্ৰগেম কৰা হোৱা নাই

মানৱতা..সহানুভূতি আদিৰ দৰে কাহানিও ম্লান নোহোৱা

গভীৰ অৰ্থৱহ অথচ জীয়া আৱেগ জড়িত সত্য....,

কাৰণ..তুমি যান্ত্ৰিক পৃথিৱীৰ পুতলা

য'ত লুকাই থাকে জীৱনৰ প্ৰকৃত সত্য ।